**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-08-2024
**Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত ৰাজ্যপালসকলৰ দুদিনীয়া সন্মিলন মুকলি কৰে।

২। লোকসভাত আজি ২০২৪-২৫ বৰ্ষৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ দাবী মঞ্জুৰীৰ প্ৰস্তাৱ সম্পৰ্কে আলোচনা হয়।

৩। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে চৰকাৰ দেশৰ খেতিয়কসকলৰ কল্যাণৰ প্ৰতি বদ্ধপৰিকৰ।

৪। ভাৰতৰ অংকিতা ভকত আৰু ধীৰাজ বোম্মাদেৱৰাই পেৰিছ অলিম্পিকৰ আৰ্চাৰীৰ মিক্সড শাখাৰ দলীয় শিতানৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

আৰু

৫। শ্ৰীলংকাই কলম্বোত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতক জয়ৰ বাবে ২৩১ ৰানৰ লক্ষ্য বান্ধি দিছে।

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত ৰাজ্যপালসকলৰ দুদিনীয়া সন্মিলন মুকলি কৰে। এই সন্মিলনত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মাজৰ সম্পৰ্কক ৰূপ দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বিভিন্ন বিষয় আৰু জনসাধাৰণৰ বাবে কল্যাণমূলক আঁচনিৰ প্ৰসাৰ সম্পৰ্কে আলোচনা কৰা হ'ব। সন্মিলন উদ্বোধন কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে সন্মিলনৰ কাৰ্যসূচীত ৰাষ্ট্ৰীয় লক্ষ্য পূৰণৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ বুলি বিবেচিত বিভিন্ন বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁ কয় যে এই সন্মিলনৰ আলোচনাই সকলো অংশগ্ৰহণকাৰীৰ বাবে চহকী অভিজ্ঞতাৰূপে পৰিগণিত হ'ব আৰু তেওঁলোকক নিজৰ কাম-কাজ উন্নত কৰাত সহায় কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ফৌজদাৰী ন্যায়ৰ সৈতে জড়িত নতুন আইন তিনিখন ৰূপায়ণৰ সৈতে দেশত ন্যায় ব্যৱস্থাৰ এটা নতুন যুগৰ সূচনা হৈছে। ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম শীৰ্ষক আইন তিনিখনৰ নামৰ পৰা জনসাধাৰণৰ মানসিকতা যে সলনি হৈছে, সেয়া স্পষ্ট হৈ পৰিছে বুলি তেওঁ উল্লেখ কৰে। ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে গণতন্ত্ৰত সুচাৰুৰূপে কাম সম্পন্ন কৰাৰ বাবে সকলো ৰাজ্যত কেন্দ্ৰীয় সংস্থাসমূহে সমন্বয়ৰে কাম কৰাটো অত্যন্ত জৰুৰী। তেওঁ ৰাজ্যপালসকলে সংশ্লিষ্ট ৰাজ্যৰ সাংবিধানিক মুৰব্বী হিচাপে এনে সমন্বয় বৃদ্ধিত কিদৰে সহায় কৰিব পাৰে, সেইবিষয়ে চিন্তা কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে দেশত গুণগত উচ্চ শিক্ষাক অপৰিমেয় সম্পদ বুলি অভিহিত কৰে, কাৰণ গুণগত শিক্ষাই ব্যক্তিৰ বিকাশৰ লগতে সামাজিক পৰিৱৰ্তন, উদ্ভাৱন আৰু অৰ্থনৈতিক প্ৰগতিত সহায় কৰে। তেওঁ কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতিত শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ স্বীকৃতি আৰু মূল্যায়ন ব্যৱস্থাৰ উন্নয়নত গুৰুত্ব আৰোপ কৰা হৈছে। ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ আচাৰ্য হিচাপে এই সংস্কাৰ প্ৰক্ৰিয়াত অৰিহণা যোগাবলৈ ৰাষ্ট্ৰপতিয়ে ৰাজ্যপালসকলৰ প্ৰতি আহ্বান জনায়। শ্ৰীমতী মুৰ্মুৱে কয় যে চৰকাৰে দুখীয়া জনসাধাৰণ, সীমান্তৱৰ্তী এলেকা, সমাজৰ নিপীড়িত শ্ৰেণী আৰু বিকাশ যাত্ৰাত পিছপৰি ৰোৱা লোকসকলৰ উন্নয়নত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। অনুসূচিত আৰু জনজাতীয় এলেকাত ভালেসংখ্যক জনজাতীয় লোক বাস কৰে বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজ্যপালসকলক এনে এলেকাৰ জনসাধাৰণৰ সৰ্বাত্মক উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ

উপায় সম্পৰ্কে পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ কয় যে যুৱ-প্ৰজন্মৰ উদ্যম-শক্তি ইতিবাচক আৰু গঠনমূলক কামত খটুৱাব পাৰিলে যুৱক-যুৱতীসকলৰ উন্নয়ন তথা যুৱক-যুৱতীৰ নেতৃত্বত উন্নয়নৰ প্ৰক্ৰিয়াই গতি লাভ কৰিব। তেওঁ কয় যে জলবায়ু পৰিৱৰ্তন আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ লেখীয়া প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ বাবে ভালেমান প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে সন্মিলনত ভাষণ দি ৰাজ্যপালসকলৰ শপতৰ কথা উল্লেখ কৰে আৰু তেওঁলোকক জনসাধাৰণক সামাজিক কল্যাণৰ আঁচনি তথা যোৱা দশকত হোৱা অভূতপূৰ্ব বিকাশৰ বিষয়ে সজাগ কৰাৰ ক্ষেত্ৰত নিজৰ সাংবিধানিক দায়িত্ব পালন কৰিবলৈ আহ্বান জনায়। সন্মিলনত দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যপালসকলক কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ফলপ্ৰসূ সেঁতু ভূমিকা পালন কৰিবলৈ আৰু বিভিন্ন আঁচনিয়ে ঢুকি নোপোৱা লোকসকলৰ সহায়ৰ বাবে জনসাধাৰণ আৰু সামাজিক সংগঠনৰ সৈতে মত বিনিময় কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে ৰাজ্যপালসকলৰ পদবী গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানসদৃশ আৰু তেওঁলোকে সাংবিধানিক পৰিকাঠামোৰ আওঁতাত থাকি জনসাধাৰণৰ কল্যাণ, বিশেষকৈ জনজাতীয় এলেকাসমূহৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

০০০০০০০

লোকসভাত আজি ২০২৪-২৫ বৰ্ষৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ দাবী মঞ্জুৰীৰ প্ৰস্তাৱ সম্পৰ্কে আলোচনা হয়। আলোচনা আৰম্ভ কৰি কংগ্ৰেছ তাৰিক অনৱাৰে জনসাধাৰণৰ বাবে চিকিৎসা সুবিধাৰ উপলভ্যতাত গুৰুত্ব আৰোপ কৰে। সাংসদগৰাকীয়ে গ্ৰামাঞ্চলৰ বুনিয়াদী স্বাস্থ্য সুবিধাৰ উন্নয়নৰ বাবে এইবাৰৰ বাজেটত যথেষ্ট ধন আবণ্টন কৰা হোৱা নাই বুলি অভিযোগ তোলে। ঔষধৰ উচ্চ মূল্যৰ কথা উল্লেখ কৰি শ্ৰী অনৱাৰে বৰ্ধিত দামৰ জনসাধাৰণে ঔষধ ক্ৰয় কৰিবলৈ অসমৰ্থ হোৱা বুলি অভিযোগ কৰে।

আলোচনাত অংশ লৈ বিজেপিৰ ড° সঞ্জয় জয়ছোৱালে কয় যে চৰকাৰে শিক্ষা আৰু স্বাস্থ্য খণ্ডৰ প্ৰতি বিশেষ মনোযোগ দিছে। তেওঁ কয় যে ২০১৪ চনত দেশত মাত্ৰ ৩৮৭ খন চিকিৎসা মহাবিদ্যালয় আছিল আৰু সম্প্ৰতি এনে মহাবিদ্যালয়ৰ সংখ্যাই ৭০৬ অতিক্ৰম কৰিছে। তেওঁ কয় যে ২০১৪ চনত দেশত প্ৰায় ৫১ হাজাৰ চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমৰ আসন আছিল আৰু বৰ্তমান আসনৰ সংখ্যা ১ লাখৰো অধিক হৈছেগৈ। জনসাধাৰণলৈ স্বাস্থ্য সুবিধা আগবঢ়োৱাৰ উদ্দেশ্যে চৰকাৰে আয়ুস্মান ভাৰত যোজনা আৰম্ভ কৰা বুলি সাংসদগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে বৰ্তমানলৈকে ৩ কোটিৰো অধিক জনসাধাৰণে এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে এইবাৰৰ বাজেটত কৰ্কট ৰোগৰ চিকিৎসাত ব্যৱহৃত তিনিবিধ ঔষধত আৰোপিত সীমা শুল্ক ৰেহাই দিয়া হৈছে আৰু এই সিদ্ধান্তই দেশৰ ২৭ লাখ কৰ্কট ৰোগীক উপকৃত কৰিব। সমাজবাদী পাৰ্টীৰ লালজী বাৰ্মাই কয় যে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ তুলনাত এইবেলি স্বাস্থ্য শিতানৰ বাজেট হ্ৰাস পাইছে। তেওঁ কয় যে দেশত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধি পাইছে যদিও এই মহাবিদ্যালয়সমূহত বুনিয়াদী সা-সুবিধা গঢ় লৈ উঠা নাই। আলোচনাত ভাগ লৈ তৃণমূল কংগ্ৰেছৰ ড° শৰ্মিলা সৰকাৰে স্বাস্থ্য খণ্ডৰ বাবে পৰ্যাপ্ত পুঁজি যোগান নধৰাৰ বিষয় উত্থাপন কৰে। তেওঁ লগতে মানসিক স্বাস্থ্য সেৱাৰ বাবে সুকীয়া পুঁজিৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা ৫ আগষ্টৰ পৰা ১০ আগষ্টলৈ ফিজি, নিউজিলেণ্ড আৰু টিম'ৰলেষ্টে ভ্ৰমণ কৰিব। নতুন দিল্লীত আজি বিয়লি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত পূবৰ সচিব জয়দীপ মজুমদাৰে কয় যে এয়া হ'ব ভাৰতৰ ৰাষ্ট্ৰপতিৰ প্ৰথম ফিজি তথা টিম'ৰলেষ্টে ভ্ৰমণ। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক্ট ইষ্ট নীতিৰ বিষয়ে উল্লেখ কৰাৰ পাছৰে পৰা দক্ষিণ-পূব এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলে ভাৰতৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ লগতে এই তিনিওখন দেশকে এক্ট ইষ্ট নীতিয়ে সামৰি লোৱা বুলি সদৰি কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে এই ভ্ৰমণৰ

প্ৰথম পৰ্যায়ত ফিজিত উপস্থিত হ'ব। শ্ৰীমতী মুৰ্মুৱে এই ভ্ৰমণকালত ফিজিৰ ৰাষ্ট্ৰপতি তথা প্ৰধানমন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। এই ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত তেওঁ অহা ৮ আৰু ৯ আগষ্টত নিউজিলেণ্ড ভ্ৰমণ কৰিব।

০০০০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে চৰকাৰ দেশৰ খেতিয়কসকলৰ কল্যাণৰ প্ৰতি বদ্ধপৰিকৰ। তেওঁ কয় যে খেতিয়কসকলৰ কল্যাণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে এইবাৰৰ বাজেটত পৰ্যাপ্ত ধন আবণ্টন কৰা হৈছে। ৰাজ্যসভাত আজি কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ কাম-কাজ সম্পৰ্কীয় আলোচনাৰ উত্তৰ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে এইবাৰ বাজেটত কৃষি খণ্ডৰ বাবে ১ লাখ ৩২ হাজাৰ কোটিৰো অধিক টকা আবণ্টন দিয়া হৈছে আৰু এই পৰিমাণ ২০১৩-১৪ বৰ্ষৰ তুলনাত ২৭ হাজাৰ কোটি টকাৰো অধিক।

০০০০০০০

ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদে যুটীয়াভাৱে Covaxin-ৰ বিকাশৰ বাবে ভাৰত বায়'টেক ইণ্টাৰনেচনেল লিমিটেডৰ পৰা ৰয়েল্টি হিচাপে ১৭২ কোটি টকা লাভ কৰিছে। লোকসভাৰ প্ৰশ্নকালত আজি সোধা এটা প্ৰশ্নৰ উত্তৰত স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই কয় যে Covaxin-ৰ পেটেণ্ট দাখিল কৰাৰ সময়ত ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদক সহ-স্বত্বাধিকাৰী তথা যুটীয়া উদ্ভাৱক হিচাপে স্বীকৃতি নিদিয়াৰ পৰিপ্ৰেক্ষিতত চৰকাৰে আপত্তি দৰ্শোৱাৰ পাছত ভাৰত বায়'টেক ইণ্টাৰনেচনেল লিমিটেডে ভুল স্বীকাৰ কৰি ইয়াৰ সংশোধন কৰে। এতিয়া ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ, নেচনেল ইনষ্টিটিউট্ অব্ ৱাইৰ'ল'জী আৰু তিনিগৰাকী বৈজ্ঞানিকক Covaxin-ৰ সহ-উদ্ভাৱক তথা সহ-স্বত্বাধিকাৰী হিচাপে গণ্য কৰা হ'ব। তেওঁ লগতে সদৰি কৰে যে ভেকচিন মৈত্ৰী কাৰ্যসূচীৰ অধীনত ৭ খন দেশলৈ Covaxin-ৰ যোগান ধৰা হৈছিল।

০০০০০০০

পেৰিছ্ অলিম্পিকৰ সপ্তম দিনা আজি ভাৰতৰ অংকিতা ভকত আৰু ধীৰাজ বোম্মাদেৱৰাই আৰ্চাৰীৰ মিক্সড শাখাৰ দলীয় শিতানত স্পেইনৰ প্ৰতিদ্বন্দ্বীক ৫-৩ ফলাফলত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। একেদৰে হকীত ভাৰতীয় পুৰুষ দলে গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়াক ৩-২ গ'লত পৰাভূত কৰে। ইপিনে, এইবাৰৰ অলিম্পিকত দুটাকৈ পদক বিজেতা মনু ভাকৰে ২৫ মিটাৰ এয়াৰ পিষ্টল শিতানৰ ফাইনেলত প্ৰৱেশ কৰিছে। অৱশ্যে জুডোত ভাৰতৰ তুলিকা মান ৭৮ কিলোগ্ৰামতকৈ ওপৰৰ শাখাৰ এখন খেলত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়।

ইপিনে, বেডমিণ্টনত ভাৰতৰ লক্ষ্য সেনে আজি চিনা টাইপেইৰ ছৌ টিয়েনচেনৰ বিৰুদ্ধে পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হৈছে। এথলেটিকছত অংকিতা ধ্যানী, পাৰিল চৌধাৰী আৰু তাজিন্দৰ পাল সিং টুৰে ক্ৰমে মহিলাৰ ৫ হাজাৰ মিটাৰ  ষ্টিপলচেজৰ যোগ্যতা নিৰূপণ ৰাউণ্ড আৰু পুৰুষৰ শ্বটপুটত অৱতীৰ্ণ হ'ব।

০০০০০০০

শ্ৰীলংকাই কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া একদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতক জয়ৰ বাবে ২৩১ ৰানৰ লক্ষ্য বান্ধি দিছে। খেলখনত শ্ৰীলংকাই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অ'ভাৰত ৮ টা উইকেটৰ বিনিময়ত ২৩০ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে আমালৈ বাতৰি অহাৰ পৰলৈকে ৪ অ'ভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ৪০ ৰান কৰি খেলি আছিল।

ভাৰতে ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ বিৰুদ্ধে টি-২০ শৃংখলাত ৩-০ ফলাফলত জয়লাভ কৰিছিল।

০০০০০০০

ভাৰতীয় তথ্য সেৱাৰ প্ৰাক্তন জ্যেষ্ঠ বিষয়া কমলকান্ত পণ্টৰ দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত আজি গুৰুগ্ৰামত দেহাৱসান ঘটে। ৬৪ বছৰীয়া পণ্টে ২০২০ চনত কেন্দ্ৰীয় যোগাযোগ ব্যুৰ'ৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। ইয়াৰ পূৰ্বে তেওঁ আকাশবাণীৰ বাতৰি বিভাগকে ধৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ বিভিন্ন বিভাগত সেৱা আগবঢ়াইছিল।

০০০০০০০

**সমাপ্ত**